**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

Date : 16-09-2026 **Time :** 1100 Hrs.

ৰাজ্য চৰকাৰে নিষিদ্ধ মাদকদ্ৰব্যৰ অবাধ প্ৰচলন ৰোধ কৰাৰ লগতে আসক্তসকলক মূল সুঁতিলৈ ঘূৰাই অনাৰ বাবে পৰিকল্পনা গ্ৰহণ কৰিছে। যোৰহাটত দুদিনীয়াকৈ অনুষ্ঠিত জিলা আয়ুক্ত সন্মিলনত মাদকদ্ৰব্যৰ ভয়াৱহতাৰ বিষয়ে আলোচনা হোৱা বুলি প্ৰকাশ কৰি মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই এখন সংবাদমেলত কয়, যে ৰাজ্যৰ প্ৰতিটো বিধানসভা সমষ্টিতে পুনৰ সংস্থাপন কেন্দ্ৰ স্থাপন কৰা হ'ব আৰু ব্যক্তিগত পুনৰ সংস্থাপন কেন্দ্ৰসমূহ কঠোৰভাৱে নিৰীক্ষণ কৰা হ'ব। তেওঁ কয়, যে মাদকদ্ৰব্যৰ সমস্যা অকল আইন-শৃংখলাজনিত সমস্যা নহয়, ইয়াৰ সৈতে আসক্তসকলৰ চিকিৎসা, পুনৰ্বাসন অপৰাধ আৰু আন্তঃৰাজ্যিক তথা আন্তঃৰাষ্ট্ৰীয় সৰবৰাহৰ বিষয়টো জড়িত হৈ আছে। এই সমস্যাৰ সন্মুখীন হোৱা বাবে চৰকাৰে সমন্বিত ব্যৱস্থা গ্ৰহণৰ দিশত আগবাঢ়িছে বুলি তেওঁ মন্তব্য কৰে। ব্যক্তিগত পুনৰ্বাসন কেন্দ্ৰসমূহৰ বিৰুদ্ধে উত্থাপিত অভিযোগৰ বিষয়ে উল্লেখ কৰি মুখ্যমন্ত্ৰীগৰাকীয়ে কয়, যে বিষয়টো চৰকাৰী পৰ্যায়ত আলোচনা কৰা হৈছে। তেওঁ লগতে ব্যক্তিগত পুনৰ্বাসন কেন্দ্ৰসমূহ কঠোৰভাৱে নিৰীক্ষণ কৰাৰ প্ৰয়োজনীয়তাৰ ওপৰতো গুৰুত্ব আৰোপ কৰে।

বাইট (চি এম)

0000000

আজি বিশ্ব অ'জন দিৱস। এইবাৰৰ দিৱসৰ মূল বিষয়বস্তু হৈছে – 'শীতল ধৰিত্ৰীৰ বাবে বিশ্বজনীন ব্যৱস্থা'। বিশ্বৰ বিভিন্ন ঠাইৰ লগতে অসমতো এই দিৱস পালন কৰা হৈছে। অ'জন স্তৰৰ সুৰক্ষা আৰু সেউজ অসম গঢ়াৰ লক্ষ্যৰে শক্তি ৰাহি কৰা সঁজুলি ব্যৱহাৰ, এচি-ফ্ৰীজ আদিৰ নিয়মীয়া মেৰামতি আৰু চৌহদত গছপুলি ৰোপণৰ বাবে সকলোকে সজাগ-সচেতন কৰিবলৈ গুৱাহাটীৰ আৰ্য বিদ্যাপীঠ মহাবিদ্যালয়ত বিজ্ঞান আৰু প্ৰযুক্তি বিভাগৰ উদ্যোগত ৰাজ্যিক পৰ্যায়ৰ অনুষ্ঠানৰ আয়োজন কৰা হৈছে। অনুষ্ঠানত বিজ্ঞান প্ৰযুক্তি আৰু জলবায়ু পৰিৱৰ্তন বিভাগৰ মন্ত্ৰী কেশৱ মহন্ত মুখ্য অতিথি হিচাপে উপস্থিত থাকিব। এই অনুষ্ঠানতে ৰাজ্যৰ পাঁচগৰাকী বিশিষ্ট ব্যক্তিক ২০২৫ বৰ্ষৰ পৰিৱেশ মিত্ৰ সন্মানৰে বিভূষিত কৰা হ'ব। এই ব্যক্তি কেইগৰাকীৰ ভিতৰত অৰূপ শাণ্ডিল্য, অমৰজ্যোতি কাশ্যপ, ৰাজীৱ ৰুদ্ৰ তাৰিয়াং, ড° বিভৱ কুমাৰ তালুকদাৰ আৰু ড° পৰাগজ্যোতি ডেকা আছে। পৰিৱেশ সংৰক্ষণ আৰু মানৱ কল্যাণৰ ক্ষেত্ৰত আগবঢ়োৱা উল্লেখযোগ্য অৱদানৰ স্বীকৃতিস্বৰূপে এই ব্যক্তিকেইগৰাকীক পৰিৱেশ মিত্ৰ সন্মানৰ বাবে বাছনি কৰা হৈছে।

0000000

নগাঁও লোকসভা সমষ্টিৰ উপ-নিৰ্বাচনৰ বাবে মনোনয়ন পত্ৰ দাখিলৰ আজি অন্তিম দিন। সমষ্টিটোৰ বিজেপি প্ৰাৰ্থী দেৱাশিষ শৰ্মা, কংগ্ৰেছ প্ৰাৰ্থী, প্ৰাক্তন বিধায়ক শিৱামণি বৰা আৰু এ আই ই ডি এফৰ প্ৰাৰ্থী বদৰুদ্দিন আজমলকে ধৰি কেইবাগৰাকীও প্ৰাৰ্থীয়ে আজি মনোনয়ন দাখিল কৰাৰ কথা। মনোনয়ন পত্ৰ দাখিলৰ বাবে তিনিওটা দলে ব্যাপক প্ৰস্তুতি সম্পূৰ্ণ কৰিছে। বিজেপি প্ৰাৰ্থী দেৱাশিষ শৰ্মাই ভালেসংখ্যক দলীয় নেতা-কৰ্মীক লগত লৈ নগাঁও জিলাৰ ৰিটাৰ্নিং বিষয়াৰ ওচৰত মনোনয়ন দাখিল কৰিব। ইয়াৰ আগেয়ে নগাঁও চহৰৰ

দচন স্কুল খেল পথাৰত বিজেপিৰ ভালেসংখ্যক সমৰ্থক আৰু কাৰ্যকৰ্তা সমবেত হ'ব। মনোনয়ন পত্ৰ দাখিল পৰ্বত বিজেপিৰ ৰাজ্যিক সভাপতি দিলীপ শইকীয়া, মন্ত্ৰী পীযুষ হাজৰিকা, জয়ন্ত মল্লবৰুৱাকে ধৰি শীৰ্ষ নেতৃবৰ্গই অংশগ্ৰহণ কৰিব।

কংগ্ৰেছ প্ৰাৰ্থী শিৰামণি বৰাই নগাঁও জিলা কংগ্ৰেছ কাৰ্যালয়ৰ পৰা সমদলেৰে জিলা ৰিটাৰ্নিং বিষয়াৰ কাৰ্যালয়লৈ গৈ মনোনয়ন দাখিল কৰিব। মনোনয়ন দাখিল পৰ্বত অসম প্ৰদেশ কংগ্ৰেছৰ সভাপতি গৌৰৱ গগৈ, বিধানসভাত বিৰোধী পক্ষৰ নেতা ৰাজেদ আলী চৌধুৰী, সাংসদ ৰকিবুল হুছেইনসহ দলটোৰ কেইবাগৰাকী শীৰ্ষ নেতা উপস্থিত থাকিব। ইপিনে, এ আই ইউ ডি এফৰ প্ৰাৰ্থী বদৰুদ্দিন আজমলে আজি দুপৰীয়াৰ ভাগত মনোনয়ন পত্ৰ দাখিল কৰাৰ কথা। তেওঁ ধিং গে'টত থকা নগাঁও জিলা কাৰ্যালয়ৰ পৰা দলীয় সমৰ্থক আৰু কৰ্মকৰ্তাসকলক লৈ মনোনয়ন দাখিল কৰিব। দলটোৰ সাধাৰণ সম্পাদক হাফিজ ৰচিৰ আহমেদ, দলৰ আটাইকেইগৰাকী বিধায়ক-প্ৰাক্তন বিধায়কে আজমলক সংগ দিব। তৃণমূল কংগ্ৰেছৰ প্ৰাৰ্থী আব্দুল ছালামেও আজি মনোনয়ন দাখিল কৰিব। কেইগৰাকীমান নিৰ্দলীয় প্ৰাৰ্থীয়েও মনোনয়ন দাখিল কৰাৰ সম্ভাৱনা আছে। নগাঁও জিলা প্ৰশাসনে মনোনয়ন দাখিলৰ বাবে প্ৰয়োজনীয় সকলো ব্যৱস্থা সম্পূৰ্ণ কৰিছে।

উল্লেখযোগ্য যে অহা ৬ অক্টোবৰত নগাঁও লোকসভা সমষ্টিৰ উপ-নিৰ্বাচন অনুষ্ঠিত হ'ব। ৯ অক্টোবৰত ভোটগণনা কৰা হ'ব।

00000000

চৰাইদেউ আৰু শিৱসাগৰ জিলাত পৰহিলৈ লোকপিয়লৰ প্ৰথম পৰ্যায়ৰ কাম আৰম্ভ হ'ব। জিলা দুখনত মাহজোৰা কাৰ্যসূচীৰে এই প্ৰক্ৰিয়া চলিব। চৰাইদেউ আৰু শিৱসাগৰ জিলাত বানৰ পৰিপ্ৰেক্ষিতত লোকপিয়লৰ কাম সাময়িকভাৱে স্থগিত আছিল। লোকপিয়ল সঞ্চালকালয়ে বান পৰিস্থিতি উন্নত হোৱাৰ পাছত জিলা দুখনত লোকপিয়লৰ কাম আৰম্ভ কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰিছে। প্ৰথম পৰ্যায়ত গণনাকাৰী সকলে ঘৰে ঘৰে গৈ গৃহ তালিকা প্ৰস্তুত আৰু গৃহ গণনা প্ৰক্ৰিয়া সম্পন্ন কৰিব।

000000

নৱম ৰাষ্ট্ৰীয় পোষণ মাহ কাৰ্যসূচীৰ অংশ হিচাপে ডিব্ৰুগড় জিলা সমাজ কল্যাণ বিভাগৰ অধীনত জিলাখনৰ সকলো উন্নয়ন খণ্ডত খাদ্য বৈচিত্ৰ্য, পুষ্টিকৰ খাদ্যাভ্যাস আৰু স্বাস্থ্যসন্মত খাদ্য গ্ৰহণৰ বাবে সজাগতা কাৰ্যসূচী অনুষ্ঠিত হৈছে। ইয়াৰ অধীনত অংগনৱাড়ী কেন্দ্ৰসমূহত সতেজ গৰম ৰন্ধা আহাৰ প্ৰদানৰ ওপৰত গুৰুত্ব আৰোপ কৰাৰ লগতে পুষ্টিকৰ খাদ্য সামগ্ৰী প্ৰদৰ্শনী আৰু প্ৰটিন সমৃদ্ধ খাদ্য গ্ৰহণৰ প্ৰতি উৎসাহিত কৰা হৈছে। অংগনৱাড়ী কৰ্মী আৰু ক্ষেত্ৰ পৰ্যায়ৰ কৰ্মীসকলে ঘৰে ঘৰে গৈ পৰিপুষ্টিৰ বাবে পৰামৰ্শ দিয়াৰ লগতে মাতৃ আৰু শিশুৰ উপযুক্ত খাদ্য গ্ৰহণ নিশ্চিত কৰাৰ চেষ্টা চলাইছে। ইয়াৰ জৰিয়তে জিলাখনত পুষ্টি সম্পৰ্কীয় ফলাফল উন্নত কৰি সুস্থ সমাজ গঢ়ি তোলাৰ প্ৰয়াস কৰা হৈছে।

0000000

**সমাপ্ত**